# আত্মা আৰু ব্ৰহ্ম

## (Atman and Brahman)

উপনিষদত ব্ৰহ্ম আৰু আত্মাক অভিন্ন বুলি ধৰা হয়। উপনিষদৰ দৰ্শন অনুসৰি ব্ৰহ্ম আৰু আত্মা এক আৰু অভিন্ন। যি সত্তাক বস্তুগত দিশৰ পৰা ব্ৰহ্ম বুলি কোৱা হয়, সেই একেই সত্তাক মনোগত দিশৰ পৰা আত্মা বুলি কোৱা হয়। ব্ৰহ্ম আৰু আত্মা সমৰ্থক। 'তত্ত্বমসি' (তুমিয়ে সেই অৰ্থাৎ তুমিই ব্ৰহ্ম), 'অহং ব্ৰহ্মাস্মি' (মইয়ে ব্ৰহ্ম), 'সোঽহম্' (সেইটো মই), 'অয়মাত্মা ব্ৰহ্ম' (আত্মাই ব্ৰহ্ম)— উপনিষদৰ এই প্ৰত্যেকটো মহাবাক্যৰ প্ৰতিপাদ্য বিষয় হ'ল আত্মা আৰু ব্ৰহ্ম অভিন্ন। শংকৰাচাৰ্যও আত্মা আৰু ব্ৰহ্মাৰ অভেদ্যতাৰ ওপৰত জোৰ দিছে। আত্মা চৈতন্যস্বৰূপ। ই জ্ঞাতা, জ্ঞেয় নহয়। মুল চৈতন্যৰ আধাৰকে আত্মা বুলি কোৱা হয়। আত্মা নিত্য আৰু সৰ্বব্যাপী। উপনিষদত এই আত্মা আৰু ব্ৰহ্মাৰ তাদাত্ম সম্বন্ধই চৰমতত্ত্ব। ড° দাসগুপ্তৰ মতে, আত্মা আৰু ব্ৰহ্মাৰ তাদাত্ম্যতাতে উপনিষদীয় শিক্ষাৰ সাৰাংশ নিহিত আছে (The sum and substance of the Upanisad teaching is involved in the equation Atman=Brahman)।

কঠোপনিষদত আত্মাৰ ব্যাখ্যাৰ বাবে সুন্দৰ এক ৰূপক ব্যৱহাৰ কৰা হৈছে। এই উপনিষদত আত্মাক শৰীৰ, ইন্দ্ৰিয়, মন ৰূপী ৰথৰ স্বামী হিচাপে আত্মাক স্বীকাৰ কৰা হৈছে। ছান্দোগ্য উপনিষদত আত্মা আৰু ব্ৰহ্মাৰ একত্বক প্ৰমাণ কৰিবলৈ বহুতো শ্লোকৰ উল্লেখ কৰা হৈছে। এইক্ষেত্ৰত উদালক আৰু শ্বেতকেতুৰ মাজত চলিত এক সুন্দৰ বাৰ্তালাপৰ কথা উল্লেখ কৰিব পাৰি। উদালক তেওঁৰ পুত্ৰ শ্বেতকেতু বাৰ বছৰ বয়সত শিক্ষা অৰ্জনৰ বাবে গুৰু গৃহত পঠাইছিল। বাৰ বছৰ কাল শিক্ষা গ্ৰহণ কৰি আৰু অতিৰিক্ত কিছুমান বিষয়ত জ্ঞান লাভ কৰি যেতিয়া শ্বেতকেতু উভতি আহে, তেতিয়া শ্বেতকেতুক প্ৰত্যক্ষ কৰি পিতৃ উদালকে নিৰাশ হৈ পৰে। কাৰণ তেওঁ লক্ষ্য কৰে যে শ্বেতকেতুৰ মনত এক ধৰণৰ অভিমান নিহিত আছে। তেওঁ শ্বেতকেতুক প্ৰশ্ন কৰে ঃ তুমি এই বিদ্যা লাভ কৰিছা নে যে, যাক শ্ৰৱণ কৰিলে সকলো কিছুৱে শুনা যায়, যাক জানিলে সকলো কিছুকে জনা যায়, যাক দেখিলে সকলো কিছুকে দেখা যায়? শ্বেতকেতু ইয়াৰ নঞৰ্থক উত্তৰ দিয়ে। সেয়ে উদালকে শ্বেতকেতুক এক চৰ্চিত বিদ্যাৰ শিক্ষা দিয়াৰ প্ৰয়াস কৰে। তেওঁ শ্বেতকেতুক গধুলি সময়ত মাতি আনি পানী থকা এক পৰিপূৰ্ণ পাত্ৰত নিমখ অকণমান মিহলাই দিবলৈ কয়। শ্বেতকেতু উপদেশ মতে পানীৰ পাত্ৰটোত অলপ নিমখ মিহলাই দিয়ে। তাৰ পিছত তেওঁ শ্বেতকেতুক দ্বিতীয় দিনা প্ৰাতঃকালত মাতি আনি পানীৰ পাত্ৰৰ পৰা নিমখখিনি উলিয়াই আনিবলৈ কয়। শ্বেতকেতু সেই পাত্ৰক চাই কয় যে নিমখ পানীত গলি গৈছে। শ্বেতকেতুক যেতিয়া সোধা হয় যে তুমি কেনেকৈ বুজিলা যে নিমখ গলি গৈছে। তেতিয়া তেওঁ কয় যে অভিজ্ঞতাৰ পৰা তেওঁ এইটো বুজিব পাৰিছে। উদালকে শ্বেতকেতুক পানীৰ বিভিন্ন অংশৰ (ওপৰ, মধ্য, তল) পানী খাই তাৰ সোৱাদ কেনে তাক জনাবলৈ আদেশ দিলে। শ্বেতকেতুৱে পাত্ৰৰ বিভিন্ন অংশৰ পৰা পানী সেৱন কৰি তাৰ সোৱাদ নিমখীয়া বুলি ক'লে। ইয়াৰ পিছত উদালকে কয় যে যিদৰে পানী গলি যোৱা নিমক অদৃশ্য হোৱা সত্ত্বেও তাৰ উপলব্ধি বা অনুভূতি লাভ হয়, সেইদৰে বিশুদ্ধ সত্তা (pure existence) অদৃশ্য হোৱা সত্ত্বেও তাৰ উপলব্ধি বা অনুভূতি হ'ব পাৰে। এই বিশুদ্ধ সত্তাৰ পৰাই সম্পূৰ্ণ জগতৰ উৎপত্তি হয়। তেৱেঁই অস্তিত্বশীল, সত্য, তেৱেঁই আত্মা, তেৱেঁই তুমি— তত্

ব্ৰহ্ম্ অসি। এইদৰে ব্ৰহ্ম আৰু আত্মাৰ একাত্মকতা বা তাদাত্ম্যতাৰ শিক্ষা উপনিষদত পোৱা যায়।

উপনিষদত আত্মা আৰু ব্ৰহ্মাৰ বিৱৰণ প্ৰায় অভিন্নভাৱে আগবঢ়োৱা হৈছে। উভয়কে চৰম তত্ত্বৰ ৰূপত প্ৰতিষ্ঠা কৰা হৈছে। উপনিষদত আত্মা আৰু ব্ৰহ্মকে সৎ, চিৎ আৰু আনন্দ অৰ্থাৎ 'সচ্চিদানন্দ' বুলি কোৱা হৈছে। উভয়কে সত্যম্, জ্ঞানম্ আৰু আনন্তম্ বুলিও কোৱা হৈছে। দুয়োকে সত্যম্, শিৱম্ আৰু সুন্দৰম্ বুলিও কোৱা হয়। উপনিষদত ব্ৰহ্ম আৰু আত্মাৰ আনন্দময় ৰূপৰ ওপৰত জোৰ দিয়া হৈছে। সমস্ত জ্ঞানৰ আধাৰ হ'ল আত্মা বা ব্ৰহ্ম। আত্মা আৰু ব্ৰহ্মক সমান্তৰালভাৱে ইয়াত ব্যাখ্যা কৰা দেখা যায়। আত্মাৰ জাগ্ৰত অৱস্থাৰ অনুৰূপ হ'ল ব্ৰহ্মাৰ বিৰাট ৰূপ, স্বপ্নাৱস্থাৰ অনুৰূপ হ'ল 'হিৰণ্যগৰ্ভ'। সুষুপ্তিৰ সদৃশ্য হ'ল ঈশ্বৰ-ৰূপ আৰু তুৰীয় অৱস্থাৰ অনুৰূপ হ'ল ব্ৰহ্ম-ৰূপ। বিৰাট জাগ্ৰত অৱস্থাৰ দৰে ব্ৰহ্মাৰ বিশ্বজগতৰ পূৰ্ণ বিকশিত ৰূপ; বিশ্বজগতৰ পৃথকে ব্ৰহ্মাৰ মৌলিক ৰূপত ব্ৰহ্ম আছে যি তুৰীয় অৱস্থাৰ অনুৰূপ। আত্মা তুৰীয় অৱস্থাত নিজৰ সকলো অভিব্যক্তিৰ পৰা পৃথক। এই অৱস্থাত বিষয়ী আৰু বিষয় অভিন্ন। গতিকে ব্ৰহ্ম সম্বন্ধীয় সকলো ধাৰণা আত্মা সম্বন্ধীয় ধাৰণাৰ অনুৰূপ।

আত্মা আৰু ব্ৰহ্মাৰ তাদাত্ম্যতা তলত দিয়া ধৰণে দেখুৱাব পাৰি—

| বিষয়ী আত্মা | বিষয় ব্ৰহ্ম |
|---|---|
| (ক) শাৰীৰিক আত্মা (বিশ্ব) | (ক) ব্ৰহ্মাণ্ড ব্যৱস্থি বিশ্ব (বিৰাট অথবা বিশ্বানৰ) |
| (খ) তৈজস আত্মা (তৈজস) | (খ) বিশ্বাত্মা (হিৰণ্যগৰ্ভ) |
| (গ) বৌদ্ধিক আত্মা (প্ৰজ্ঞা) | (গ) আত্ম প্ৰকাশ (ঈশ্বৰ) |
| (ঘ) তুৰীয়াৱস্থা-স্থিত আত্মা (তুৰীয়া) | (ঘ) আনন্দ (ব্ৰহ্ম) |

ওপৰোক্ত আলোচনা পৰা স্পষ্ট হয় যে উপনিষদত ব্ৰহ্ম আৰু আত্মাক তাদাত্ম্য সম্বন্ধক স্বীকাৰ কৰা হৈছে। আত্মা আৰু ব্ৰহ্ম প্ৰকৃততে এক আৰু অভিন্ন। সেইকাৰণে উপনিষদত আত্মা আৰু ব্ৰহ্মাৰ সমীকৰণ (equation) অৰ্থাৎ আত্মা = ব্ৰহ্ম স্বীকাৰ কৰা হৈছে। আত্মা আৰু ব্ৰহ্মাৰ তাদাত্ম্য উপনিষদীয় দৰ্শনৰ গুৰুত্ব

ত্বম্ অসি। এইদৰে ব্ৰহ্ম আৰু আত্মাৰ একাত্মকতা বা তাদাত্ম্যতাৰ শিক্ষা উপনিষদত পোৱা যায়।

উপনিষদত আত্মা আৰু ব্ৰহ্মাৰ বিৱৰণ প্ৰায় অভিন্নভাৱে আগবঢ়োৱা হৈছে। উভয়কে চৰম তত্ত্বৰ ৰূপত প্ৰতিষ্ঠা কৰা হৈছে। উপনিষদত আত্মা আৰু ব্ৰহ্মাকে সৎ, চিৎ আৰু আনন্দ অৰ্থাৎ 'সচ্চিদানন্দ' বুলি কোৱা হৈছে। উভয়কে সত্যম্, জ্ঞানম্ আৰু আনন্তম্ বুলিও কোৱা হৈছে। দুয়োকে সত্যম্, শিৱম্ আৰু সুন্দৰম্ বুলিও কোৱা হয়। উপনিষদত ব্ৰহ্ম আৰু আত্মাৰ আনন্দময় ৰূপৰ ওপৰত জোৰ দিয়া হৈছে। সমস্ত জ্ঞানৰ আধাৰ হ'ল আত্মা বা ব্ৰহ্ম। আত্মা আৰু ব্ৰহ্মাক সমান্তৰালভাৱে ইয়াত ব্যাখ্যা কৰা দেখা যায়। আত্মাৰ জাগ্ৰত অৱস্থাৰ অনুৰূপ হ'ল ব্ৰহ্মাৰ বিৰাট ৰূপ, স্বপ্নাৱস্থাৰ অনুৰূপ হ'ল 'হিৰণ্যগৰ্ভ'। সুষুপ্তিৰ সদৃশ্য হ'ল ঈশ্বৰ-ৰূপ আৰু তুৰীয় অৱস্থাৰ অনুৰূপ হ'ল ব্ৰহ্ম-ৰূপ। বিৰাট জাগ্ৰত অৱস্থাৰ দৰে ব্ৰহ্মাৰ বিশ্বজগতৰ পূৰ্ণ বিকশিত ৰূপ; বিশ্বজগতৰ পৃথকে ব্ৰহ্মাৰ মৌলিক ৰূপত ব্ৰহ্ম আছে যি তুৰীয় অৱস্থাৰ অনুৰূপ। আত্মা তুৰীয় অৱস্থাত নিজৰ সকলো অভিব্যক্তিৰ পৰা পৃথক। এই অৱস্থাত বিষয়ী আৰু বিষয় অভিন্ন। গতিকে ব্ৰহ্ম সম্বন্ধীয় সকলো ধাৰণা আত্মা সম্বন্ধীয় ধাৰণাৰ অনুৰূপ।

আত্মা আৰু ব্ৰহ্মাৰ তাদাত্ম্যতা তলত দিয়া ধৰণে দেখুৱাব পাৰি—

| বিষয়ী আত্মা | বিষয় ব্ৰহ্ম |
|---|---|
| (ক) শাৰীৰিক আত্মা (বিশ্ব) | (ক) ব্ৰহ্মাণ্ড ব্যৱস্থি বিশ্ব (বিৰাট অথবা বিশ্বানৰ) |
| (খ) তৈজস আত্মা (তৈজস) | (খ) বিশ্বাত্মা (হিৰণ্যগৰ্ভ) |
| (গ) বৌদ্ধিক আত্মা (প্ৰজ্ঞা) | (গ) আত্ম প্ৰকাশ (ঈশ্বৰ) |
| (ঘ) তুৰীয়াৱস্থা-স্থিত আত্মা (তুৰীয়া) | (ঘ) আনন্দ (ব্ৰহ্ম) |

ওপৰোক্ত আলোচনা পৰা স্পষ্ট হয় যে উপনিষদত ব্ৰহ্ম আৰু আত্মাক তাদাত্ম্য সম্বন্ধক স্বীকাৰ কৰা হৈছে। আত্মা আৰু ব্ৰহ্ম প্ৰকৃততে এক আৰু অভিন্ন। সেইকাৰণে উপনিষদত আত্মা আৰু ব্ৰহ্মাৰ সমীকৰণ (equation) অৰ্থাৎ আত্মা = ব্ৰহ্ম স্বীকাৰ কৰা হৈছে। আত্মা আৰু ব্ৰহ্মাৰ তাদাত্ম্য উপনিষদীয় দৰ্শনৰ গুৰুত্ব